एक कदम स्वच्छता की ओर

सत्यमेव जयते

অসম চৰকাৰ

unicef
for every child

# অ'.ডি.এফ. প্লাছৰ বাবে হাত পুথি



আহক সকলোৱে মিলি অ'.ডি.এফ. প্লাছ অসম গঢ়ো

# বিষয়সূচী


| | | |
|---|---|---|
| ১. | মুকলিত মলগ্যাগ মুক্ত (অ'.ডি.এফ.) প্লাছ কি | ৩ |
| ২. | অনাময় শৌচাগাৰ কি | ৪ |
| ৩. | কেঁচা শৌচাগাৰ কিয় অপকাৰী | ৫ |
| ৪. | অনাময় শৌচাগাৰৰ সঞ্চালন আৰু পৰিচালনা | ৬ |
| ৫. | শিশুৰ মলৰ সুৰক্ষিত নিষ্কাসন | ৭ |
| ৬. | গোটা আৱৰ্জনাৰ নিষ্কাসন ব্যৱস্থাপনা | ৮ |
| ৭. | প্লাষ্টিক আৱৰ্জনা ব্যৱস্থাপনা (পি.ডব্লিউ.এম.) | ৯ |
| ৮. | এছ.বি.এম.-জি.ৰ অধীনত গোটা আৱৰ্জনাৰ নিষ্কাসন ব্যৱস্থাপনাৰ প্ৰক্ৰিয়া | ১০ |
| ৯. | তৰল আৱৰ্জনাৰ বিষয়ে জানো আহক | ১১ |
| ১০. | ধূসৰ/ অপৰিষ্কাৰ পানী ব্যৱস্থাপনা | ১২ |
| ১১. | শৌচালয়ৰ ময়লা নিষ্কাসন ব্যৱস্থাপনা (এফ.এছ.এম.) | ১৩ |
| ১২. | গেলভেনাইজিং অৰগেনিক বায়'-এগ্ৰ' ৰিছ'ৰচেছ ধন (গোবৰধন) | ১৪ |
| ১৩. | ৰাজহুৱাভাৱে পৰিচালিত অনাময় শৌচাগাৰ (চি.এম.এছ.চি.) | ১৫ |
| ১৪. | চাবোনেৰে হাত ধোৱক | ১৬ |
| ১৫. | হাত ধোৱাৰ পদ্ধতি | ১৭ |
| ১৬. | ঋতুস্ৰাৱৰ সময়ত ল'বলগা স্বাস্থ্যসন্মত ব্যৱস্থাপনা | ১৮ |
| ১৭. | আপোনাৰ গাওঁ/ গাওঁ পঞ্চায়ত/ খণ্ডত এছ.বি.এম.-জি. সম্পত্তি | ১৯ |
| ১৮. | আপোনাৰ গাওঁ/ গাঁও পঞ্চায়ত/ খণ্ডত সামূহিক সম্পত্তিৰ সঞ্চালন আৰু তত্বাৱধান (অ' এণ্ড এম) | ২০ |
| ১৯. | ৰাজহুৱাভাৱে পৰিচালিত অনাময় শৌচাগাৰ (চি.এম.এছ.চি) আৰু গোটা তৰল আৱৰ্জনা ব্যৱস্থাপনা (এছএলডব্লিউএম)ৰ পৰা উপাৰ্জন আৰু নিযুক্তি | ২১ |
| ২০. | স্বচ্ছ চাহ বাগান বনাওঁ আহক | ২২ |
| ২১. | প্ৰতিষ্ঠানসমূহত ৱাছ (পানী অনাময় আৰু পৰিচ্ছন্নতা) | ২৩ |
| ২২. | কোভিড - ১৯ৰ বাবে ল'বলগীয়া সাৱধানতা | ২৪ |
| ২৩. | দুৰ্য্যোগ প্ৰতিৰোধী শৌচাগাৰ | ২৫ |
| ২৪. | চি.এম.এছ.চি. আৰু এছ.এল.ডব্লিউ.এম.ৰ ওপৰত ষ্টেণ্ডাৰ্ড অ'পাৰেটিং প্ৰক্ৰিয়া (এছ.অ'.পি) | ২৬ |

# মুকলিত মলগ্যাগ মুক্ত (অ'.ডি.এফ.) প্লাছ কি

## অ'.ডি.এফ. প্ৰচেষ্টা বাহাল ৰখা



অনাময় শৌচাগাৰ নিৰ্মাণ আৰু ব্যৱহাৰ

## গোটা আৱৰ্জনা নিষ্কাসন ব্যৱস্থাপনা



জৈৱিক আৰু অজৈৱিক আৱৰ্জনাৰ পৃথকীকৰণ

## তৰল আৱৰ্জনা নিষ্কাসন ব্যৱস্থাপনা



ধূসৰ পানী ব্যৱস্থাপনা আৰু শৌচালয়ৰ ময়লা নিষ্কাসন ব্যৱস্থাপনা


## চাক্ষুষ পৰিষ্কাৰ-পৰিচ্ছন্নতা



চাক্ষুষভাৱে গাঁও/ গাঁও পঞ্চায়তসমূহ ৮০% পৰ্য্যন্ত স্বচ্ছ

## অনাময় শৌচাগাৰ কি







- পানী বন্ধনী
- সঠিক ফুটাৰে (হানীকম্ব) সৈতে শোষক গাঁত (লিচপিট্)
- পেন ট্ৰেপ
- ৱাই-জাংচন চেপাৰেটৰ আৰু গাঁত সলনি কৰিব পৰা ব্যৱস্থাপনা
- পানীৰ ব্যৱস্থা
- গোপনীয়তা ৰক্ষাৰ বাবে চুপাৰষ্ট্ৰাকচাৰ  যিকোনো সামগ্ৰীৰে নিৰ্মাণ কৰিব পাৰে

**সদায় অনাময় শৌচাগাৰ ব্যৱহাৰ কৰক**



# কেঁচা শৌচাগাৰ কিয় অপকাৰী



কেঁচা শৌচাগাৰ = মুকলিত শৌচ কৰা

**কেঁচা শৌচাগাৰ কি ?**


- পানী বন্ধনী নথকা
- শোষক গাঁত (লিচপিট্) নথকা
- পেন ট্ৰেপ/ ৱাই- জংচন নথকা

**প্ৰভাৱ**



# অনাময় শৌচাগাৰৰ সঞ্চালন আৰু পৰিচালনা

| কৰিব লগীয়া | কৰিব নলগীয়া |
|---|---|



অনাময় শৌচাগাৰটো নিয়মীয়াকৈ ঝাড়ু আৰু পানীৰে পৰিষ্কাৰ কৰিব




৩-৪ বছৰৰ পিছত এটা গাঁত ভৰ্তি হ'লে ৱাই-জংচনৰ চাবি সলনি কৰি দ্বিতীয়টো গাঁত ব্যৱহাৰ কৰিব



অনাময় শৌচাগাৰত সৰু সুৰা মেৰামতি প্ৰয়োজন হ'লে নিজাববীয়াকৈ কৰক




শৌচাগাৰ পৰিষ্কাৰ কৰোঁতে কোনো ডিটাৰ্জেণ্ট বা ক্ষতিকাৰক ৰাসায়নিক পদাৰ্থ ব্যৱহাৰ নকৰিব



শৌচাগাৰত ছিগাৰেট/ বিড়ি/ চিপচ্, ছক'লেটৰ বাকলি/ মাহেকীয়া পেড/ কাপোৰ/ প্লাষ্টিক বেগ ইত্যাদি নেপেলাব

# শিশুৰ মলৰ সুৰক্ষিত নিষ্কাসন

**আপুনি জানেনে ১ গ্ৰাম মলত কি থাকে?**




- শিশুৰ মল ক্ষতিকাৰক।
- ইয়াক কেৱল আপোনাৰ অনাময় শৌচাগাৰতহে নিষ্কাসন কৰক।
- শিশুৰ মল নিষ্কাশন কৰাৰ পিছত আৰু শিশুটিক চাফা কৰাৰ পিচত চাবোনেৰে হাত ধুব।



# গোটা আৱৰ্জনাৰ নিষ্কাসন ব্যৱস্থাপনা



আৱৰ্জনা মিহলি নকৰিব

**আৱৰ্জনা পৃথক কৰক**



জৈৱিক আৱৰ্জনা



অজৈৱিক আৱৰ্জনা

- ঘৰত আৰু ৰাজহুৱা স্থানত সদায় জৈৱিক আৰু অজৈৱিক আৱৰ্জনা পৃথকীকৰণ কৰক।
- উৎসতে পৃথকীকৰণ হৈছে গোটা আৱৰ্জনা ব্যৱস্থাপনাৰ একমাত্ৰ উপায়।

# প্লাষ্টিক আৱৰ্জনা ব্যৱস্থাপনা (পি.ডব্লিউ.এম.)

| | |
|---|---|
| একক ব্যৱহাৰযোগ্য প্লাষ্টিক যেনে - শ্বেম্পুৰ পেকেট, প্লাষ্টিক বেগ, প্লাষ্টিক চামুচ, ষ্ট্ৰ' ইত্যাদিৰ ব্যৱহাৰ পৰিহাৰ কৰক |  |
| বজাৰলৈ গ'লে সদায় কাপোৰৰ মোনা লগত লৈ যাব |  |
| প্লাষ্টিকৰ পৃথকীকৰণ কৰক- প্লাষ্টিকৰ মোনা, প্লাষ্টিকৰ বটল, বিস্কুটৰ পেকেট, চকলেটৰ পেকেট, প্লাষ্টিকেৰে মেৰিওৱা খাদ্যৰ পেকেট ইত্যাদি। আৱৰ্জনা সংগ্ৰহকাৰীয়ে প্লাষ্টিক আৱৰ্জনা সংগ্ৰহ কৰিব আৰু এইবোৰ পিছত স্থানীয় ক্ৰেতাক বিক্ৰী কৰিব |  |
| আপোনাৰ গাওঁখন প্লাষ্টিক মুক্ত কৰিবলৈ প্ৰতিটো ব্লকতে প্লাষ্টিক আৱৰ্জনা ব্যৱস্থাপনা কেন্দ্ৰ নিৰ্মাণৰ বাবে উৎসাহিত কৰিব পাৰে |  |

# এছ.বি.এম.-জি.ৰ অধীনত গোটা আৱৰ্জনাৰ নিষ্কাসন ব্যৱস্থাপনাৰ প্ৰক্ৰিয়া




আৱৰ্জনা পৃথকীকৰণ



ঘৰুৱা জৈৱিক আৱৰ্জনাৰ পৰা পচন সাৰ



বাহনৰ দ্বাৰা আৱৰ্জনা সংগ্ৰহ



প্ৰতিখন গাঁও/ গাঁও পঞ্চায়তত আৱৰ্জনা সংগ্ৰহ সুবিধা কেন্দ্ৰ (এম.চি.এফ.)



এম.চি.এফ.ত জৈৱিক আৱৰ্জনাৰ পৰা তৈয়াৰী সাৰ



পুনৰ ব্যৱহাৰযোগ্য অজৈৱিক আৱৰ্জনা বিক্ৰী কৰিব পাৰি



এম.চি.এফ.ৰ পৰা পৃথক কৰা প্লাষ্টিক, প্ৰতিটো ব্লকৰ প্লাষ্টিক আৱৰ্জনা ব্যৱস্থাপনা কেন্দ্ৰলৈ পৰিবহণ



প্লাষ্টিক আৱৰ্জনা ব্যৱস্থাপনা কেন্দ্ৰত প্লাষ্টিকৰ সঠিক নিষ্কাসন প্ৰক্ৰিয়া

- ঘৰুৱা জৈৱিক আৰু অজৈৱিক আৱৰ্জনা সদায় পৃথক কৰক।
- প্ৰতিদিনে দুটা ডাষ্টবিন ব্যৱহাৰ কৰক।
- পচন গাঁত ব্যৱহাৰ কৰি জৈৱিক আৱৰ্জনা জৈৱিক সাৰলৈ ৰূপান্তৰিত কৰক।
- অজৈৱিক আৱৰ্জনাবোৰ, আৱৰ্জনা সংগ্ৰহ সুবিধা কেন্দ্ৰলৈ আৱৰ্জনা সংগ্ৰহ বাহনৰ দ্বাৰা লৈ যোৱা হ'ব আৰু তাতে সঠিক নিষ্কাসনৰ ব্যৱস্থাপনা কৰা হ'ব।

# তৰল আৱৰ্জনাৰ বিষয়ে জানো আহক



**ধূসৰ/ অপৰিষ্কাৰ পানী**

পাকঘৰ, বাথৰুম, কাপোৰ ধোৱা, বাচন ধোৱা আদিৰ পৰা ওলোৱা ধূসৰ/ অপৰিষ্কাৰ পানী



**ক'লা পানী**

শৌচালয়ৰ পৰা ওলোৱা পানী য'ত শৌচজাতীয় পদাৰ্থ মিহলি হৈ থাকে



**বাণিজ্যিক স্থানৰ বৰ্জিত পানী**

ধাবা/ ৰেষ্টুৰেন্ট, চিকিৎসালয়, বধ্যভূমি, ধোবা, ক্ষুদ্ৰ উদ্যোগ আদিৰ পৰা ওলোৱা পেলনীয়া পানী




**হালধীয়া পানী**

মানুহৰ প্ৰস্ৰাৱ/ মূত্ৰ

# ধূসৰ/ অপৰিষ্কাৰ পানী ব্যৱস্থাপনা

**আপুনি জানেনে**

১০০ লিটাৰ পৰিষ্কাৰ পানীৰ ৮০ লিটাৰেই পেলনি যায়






ঘৰৰ ওচৰৰ মুকলি ঠাইত অলাগতীয়াল পানী এৰি নিদিব

এনে পানীয়ে -


- চাৰিওফালৰ পৰিৱেশ প্ৰদূষিত কৰে
- ঘৰৰ ওচৰত পানী জমা হয়
- এনে জমা পানীত মহৰ বাবে প্ৰজনন ক্ষেত্ৰ সৃষ্টি হয়



**ঘৰুৱা ধূসৰ/ অপৰিষ্কাৰ পানীৰ সঠিক ব্যৱহাৰ -**

- চক পিট নিৰ্মাণ কৰক
- ঘৰৰ বাৰীলৈ ধূসৰ/ অপৰিষ্কাৰ পানী নিষ্কাসনৰ বাবে সুৰক্ষিত পথ সৃষ্টি কৰক

# শৌচালয়ৰ ময়লা নিষ্কাসন ব্যৱস্থাপনা (এফ.এছ.এম.)




# গেলভেনাইজিং অৰগেনিক বায়'-এগ্ৰ' ৰিছ'ৰচেছ ধন (গোবৰধন)



পোহনীয়া জীৱ-জন্তুৰ মল





লাইট আৰু ৰন্ধন গেছ




কেঁচু সাৰৰ বাবে প্ৰয়োজনীয় স্লাৰী

## বায়'গেছ প্ৰকল্প স্থাপনৰ পদ্ধতি






## আপোনাৰ বায়'গেছ ডাইজেষ্টাৰক আপোনাৰ ঘৰৰ সৈতে সংযোগ কৰক




**পদক্ষেপ ১**

জীৱজন্তুৰ মল পানীৰ সৈতে মিহলি কৰি ইনলেট টেঙ্কত ঢালি দিয়া হয়া



**পদক্ষেপ ২**

ডাইজেষ্টাৰৰ ভিতৰত বায়'গেছ উৎপাদন হ'লে, গেছ হোল্ডাৰ ওপৰলৈ উঠি যায়



**পদক্ষেপ ৩**

বায়'গেছ উৎপাদন হোৱাৰ পিছত স্লাৰী প্ৰস্তুত হয় আৰু আউটলেটৰ পৰা ওলাই আহে



**পদক্ষেপ ৪**

ডাইজেষ্টাৰৰ পৰা উৎপাদিত বায়'গেছ, গেছ পাইপৰ মাজেৰে ঘৰলৈ যায়

# ৰাজহুৱাভাৱে পৰিচালিত অনাময় শৌচাগাৰ (চি.এম.এছ.চি.)

**আপোনাৰ ৰাজহুৱাভাৱে পৰিচালিত অনাময় শৌচাগাৰ পৰিষ্কাৰ কৈ ৰাখিব**



**এই ৰাজহুৱাভাৱে পৰিচালিত অনাময় শৌচাগাৰ আপোনাৰ ব্যৱহাৰৰ বাবে, সেয়ে ইয়াক চোৱাচিতা কৰাৰ দায়িত্বও আপোনাৰেই**

- প্ৰয়োজন সাপেক্ষে আৰু জনসমাগম বেছি হোৱা স্থানত নিৰ্মাণ কৰা হয়।
- সদায় পৰিষ্কাৰ কৰি ৰাখক।
- পানীৰ ব্যৱস্থা প্ৰয়োজনীয়
- ৰাজহুৱা শৌচালয়ৰ গাঁত নিৰীক্ষণ আৰু চোৱা-চিতা কৰি ৰখাটো প্ৰয়োজনীয়।
- প্ৰয়োজনীয় মেৰামতি সময় সাপেক্ষে কৰক।

# চাবোনেৰে হাত ধোৱক

## আগত



খাদ্য খোৱাৰ আগত



ৰন্ধাৰ আগত



খাদ্য পৰিৱেশনৰ আগত



শিশুক স্তনপান কৰোৱাৰ আগত



শিশুক খুওৱাৰ আগত

---

## পাছত



মলত্যাগৰ পাছত



চাফ-চিকুন কৰা, লেতেৰা বস্তু স্পৰ্শ কৰাৰ পাছত



বাহিৰত যিকোনো কাম কৰাৰ পাছত



হাঁচি, কাঁহ, নাক চাফা কৰা বা দেহৰ যিকোনো অংশ খজুৱালে



পোহনীয়া জন্তু বা অন্য জন্তুৰ সৈতে খেলাৰ পাছত







শিশুৰ মল নিষ্কাসনৰ পিছত, ব্যৱহৃত মাস্ক, যিকোনো ধৰণৰ চেনিটাৰী নেপকিন ব্যৱহাৰৰ পিছত

# হাত ধোৱাৰ পদ্ধতি

নিম্নলিখিত পদ্ধতিৰে আপোনাৰ হাত চাবোন আৰু পানীৰে ধুব -




**চাবোনেৰে হাত ধুলে কি লাভ হয়**


- সু-স্বাস্থ্য গঢ়ে আৰু জীৱন সুৰক্ষিত কৰে
- বিদ্যালয়ত উপস্থিতিৰ হাৰ বৃদ্ধি কৰে
- বেমাৰ-আজাৰৰ পৰা সুৰক্ষিত ৰাখে

# ঋতুস্ৰাৱৰ সময়ত ল'বলগা স্বাস্থ্যসন্মত ব্যৱস্থাপনা





**আজি আমি ঋতুস্ৰাৱ আৰু ঋতুস্ৰাৱৰ সময়ত ল'বলগীয়া পৰিচৰ্যাৰ বিষয়ে আলোচনা কৰিম**
প্ৰথমে, আমি আমাৰ শৰীৰৰ বিভিন্ন জৈৱিক প্ৰক্ৰিয়াৰ বিষয়ে আলোচনা কৰিম। দ্বিতীয়তে, ছেনিটেৰী পেডৰ নিৰাপদ ব্যৱহাৰ আৰু ইয়াৰ সঠিক নিষ্কাশন। তৃতীয়তে, পুষ্টিকৰ আইৰণযুক্ত খাদ্য গ্ৰহণ। চতুৰ্থতে, সক্ৰিয় জীৱনশৈলী আৰু শৰীৰিক ব্যায়াম। পঞ্চমতে, ঋতুস্ৰাৱকেন্দ্ৰিক লোকবিশ্বাস।






**স্বাস্থ্যসন্মত ঋতুস্ৰাৱ ব্যৱস্থাপনাৰ বাবে তলত উল্লেখিত বিধিসমূহ মানি চলিব**



**নিৰাপদ ব্যৱহাৰ**
টেম্পন, ছেনিটেৰী নেপকিন, কটন কাপোৰৰ পেড, মেনষ্ট্ৰুৰেল কাপ আমি ব্যৱহাৰ কৰিব লাগে।



**সঠিক নিষ্কাশন**
গাঁতত জ্বলাই, গাঁতত পুতি, ইলেক্ট্ৰিক আৰু চিমেন্টৰ দহন চৌকাৰ জৰিয়তে আমি পেডসমূহ সঠিকভাৱে নিষ্কাশন কৰিব পাৰো।



**পুষ্টিকৰ আৰু আইৰণযুক্ত খাদ্য গ্ৰহণ**
ঋতুস্ৰাৱৰ সময়ত আইৰণযুক্ত খাদ্যৰ লগতে ভিটামিন 'চি' যুক্ত আহাৰ গ্ৰহণ কৰিব লাগে। যেনে- মটৰ, পালেং, শাক, দাইল, মাছ-মাংস, কচু, চজিনা, আমলখি, নেমু, কমলা, গাখীৰ ইত্যাদি।




**সক্ৰিয় জীৱন যাপন**
ঋতুস্ৰাৱৰ সময়ত ব্যায়াম, খেলা-ধুলা আৰু যোগাসন কৰিব লাগে।




**ঋতুস্ৰাৱকেন্দ্ৰিক লোকবিশ্বাস**
আচাৰ, টেঙা আদি নোখোৱা, গা-নোধোৱা, পুৰুষৰ সৈতে বাৰ্তালাপ নকৰা, ঘৰুৱা আচবাব স্পৰ্শ নকৰা, ৰান্ধনী শালত প্ৰৱেশ নকৰা-এইবোৰ আমাৰ সমাজত প্ৰচলিত কেতবোৰ লোকবিশ্বাসৰ উদাহৰণ।


## আপোনাৰ গাওঁ/ গাওঁ পঞ্চায়ত/ খণ্ডত এছ.বি.এম.-জি. সম্পত্তি

গাঁও পঞ্চায়তে ৰাজহুৱা সম্পদ নিৰ্মাণ কৰিব ১৫তম বিত্তীয় আয়োগৰ আৱদ্ধ পুঁজি (অনাময়) আৰুস্বচ্ছ ভাৰত মিছন (গ্ৰামীণ)ৰ পুঁজিৰ দ্বাৰা


ৰাজহুৱাভাৱে পৰিচালিত অনাময় শৌচাগাৰ


কেন্দ্ৰীয় আৱৰ্জনা সংগ্ৰহ কেন্দ্ৰ


ক্ষুদ্ৰ আৱৰ্জনা সংগ্ৰহ কেন্দ্ৰ


নলাৰ ব্যৱস্থা আৰু ৰাজহুৱা শোষক গাঁত


ৰাজহুৱা পচন সাৰৰ গাঁত

স্বচ্ছ ভাৰত মিছনৰ দ্বাৰা (গ্ৰামীণ) নিৰ্মাণ হ'ব -


প্লাষ্টিক আৱৰ্জনা ব্যৱস্থাপনা গোট


আৱৰ্জনা সংগ্ৰহ কৰা বাহন


ৰাজহুৱা বায়'গেছ প্ৰকল্প

## আপোনাৰ গাওঁ/ গাঁও পঞ্চায়ত/ খণ্ডত সামূহিক সম্পত্তিৰ সঞ্চালন আৰু তত্বাৱধান (অ' এণ্ড এম)



ৰাজহুৱাভাৱে পৰিচালিত অনাময় শৌচাগাৰ



কেন্দ্ৰীয় আৱৰ্জনা সংগ্ৰহ কেন্দ্ৰ



ক্ষুদ্ৰ আৱৰ্জনা সংগ্ৰহ কেন্দ্ৰ



প্লাষ্টিক আৱৰ্জনা নিষ্কাসন ব্যৱস্থাপনা কেন্দ্ৰ



ৰাজহুৱা পচন সাৰৰ গাঁত

পঞ্চায়তৰ নেতৃত্বত ৰাজহুৱা সম্পত্তিসমূহৰ পৰিচালনা আৰু ব্যৱস্থাপনাৰ দায়িত্ব ৰাইজৰ

# ৰাজহুৱাভাৱে পৰিচালিত অনাময় শৌচাগাৰ (চি.এম.এছ.চি) আৰু গোটা তৰল আৱৰ্জনা ব্যৱস্থাপনা (এছএলডব্লিউএম)ৰ পৰা উপাৰ্জন আৰু নিযুক্তি




চি.এম.এছ.চি. ব্যৱহাৰৰ বিনিময়ত মাচুল- নিযুক্তিৰ সুযোগ



জৈৱিক সাৰৰ বিক্ৰী



এম.চি.এফ.ৰ পুনৰ ব্যৱহাৰযোগ্য সামগ্ৰী ক্ৰেতাক বিক্ৰী



গোটা আৱৰ্জনা নিষ্কাসন ব্যৱস্থাপনাৰ বাবে মাচুল সংগ্ৰহ



আৱৰ্জনাৰ সংগ্ৰাহকৰ উপাৰ্জন



এম.চি.এফ. আৰু পি.ডব্লিউ.এম.ইউ.ত পৃথকীকৰণ কৰা লোকৰ উপাৰ্জন

# স্বচ্ছ চাহ বাগান বনাওঁ আহক



- সদায় অনাময় শৌচাগাৰ ব্যৱহাৰ কৰক আৰু প্ৰয়োজনত মেৰামতি কৰক
- সদায় অনাময় শৌচাগাৰ পৰিষ্কাৰ কৰি ৰাখক
- চাহ শ্ৰমিকৰ বাবে চাহপাত তোলা এলেকা অনাময় শৌচাগাৰৰ ব্যৱস্থা
- কিশোৰীৰ ক্লাৱ/ গোটক ঋতুস্ৰাৱৰ সময়ত ল'বলগীয়া পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বিষয়ে সজাগ কৰক
- জৈৱিক আৱৰ্জনা আৰু অজৈৱিক আৱৰ্জনা পৃথক কৰক
- ঘৰুৱা জৈৱিক আৱৰ্জনা ঘৰতে সঠিক ব্যৱস্থাপনা কৰক
- গোটা বস্তু নিষ্কাসনৰ বাবে ৫টা কথা পালন কৰক - অস্বীকাৰ, হ্ৰাস কৰা, পুনৰ ব্যৱহাৰ, মেৰামতি আৰু পুনৰ নবীকৰণ
- অপৰিষ্কাৰ/ ধূসৰ পানী ব্যৱস্থাপনাত গুৰুত্ব দিয়ক

# প্ৰতিষ্ঠানসমূহত ৰাছ
# (পানী অনাময় আৰু পৰিচ্ছন্নতা)

১৫ তম বিত্তীয় আয়োগৰ আৱদ্ধ পুঁজি ব্যৱহাৰ কৰি প্ৰতিষ্ঠানসমূহত ৰাছ নিশ্চিত কৰিবলৈ আপোনাৰ গাঁও পঞ্চায়তক সহযোগ কৰক কৰক



অংগনৱাড়ী কেন্দ্ৰ



বিদ্যালয়



স্বাস্থ্য কেন্দ্ৰসমূহ

- পানীৰ ব্যৱস্থা
- অপৰিষ্কাৰ/ ধূসৰ পানীৰ ব্যৱস্থা পানীৰ উৎসত
- কাৰ্য্যকৰী অনাময় শৌচাগাৰৰ ব্যৱস্থা
- হাত ধুবৰ বাবে ব্যৱস্থা
- আৱৰ্জনাৰ পৃথকীকৰণৰ বাবে ডাষ্টবিনৰ ব্যৱস্থা
- ৰাছ নিশ্চিত কৰা সেৱা প্ৰদানকাৰীসকলৰ দক্ষতা বৃদ্ধিত গুৰুত্ব

# কোভিড – ১৯ৰ বাবে ল’বলগীয়া সাৱধানতা

আগতীয়াকৈ সাৱধানতা অৱলম্বন কৰক আৰু সুৰক্ষিত থাকক। আৰু এই পদক্ষেপবোৰ অৱলম্বন কৰক-




পানী নাথাকিলে এলক’হলযুক্ত চেনিটাইজাৰ ব্যৱহাৰ কৰক



মাস্ক ব্যৱহাৰ কৰক




চাবোনেৰে বাৰে বাৰে হাত দুখন ধোৱক



কাঁহ/ হাঁচি আহিলে মুখখন ঢাকি লওক




ব্যৱহৃত টিছু ঢাকনি থকা ডাষ্টবিনত পেলাওক



য’তে ত’তে পিক নেপেলাব



সামাজিক দূৰত্ব মানি চলক



চকু, নাক আৰু মুখ চুই নাথাকিব



লক্ষণ দেখিলে ডাক্তৰৰ পৰামৰ্শ লওক

# দুৰ্য্যোগ প্ৰতিৰোধী শৌচাগাৰ

বানপ্ৰৱণ অঞ্চলত দুৰ্যোগ প্ৰতিৰোধী শৌচালয় নিৰ্মাণ কৰিব পাৰি। ই আপোনাক আৰু আপোনাৰ পৰিয়ালক বানপানীৰ সময়ত সুৰক্ষিত অনাময় আৰু পৰিচ্ছন্নতা অনুশীলন কৰাত সহায় কৰিব।



## ৰাজহুৱাভাৱে পৰিচালিত অনাময় শৌচাগাৰ(চি.এম.এছ.চি.) আৰু গোটা আৰু তৰল আৱৰ্জনা ব্যৱস্থাপনা (এছ.এল.ডব্লিউ.এম.)ৰ ওপৰত ষ্টেণ্ডাৰ্ড অপাৰেটিং প্ৰক্ৰিয়া (এছ. অ'.পি.):

### চি.এম.এছ.চি. আৰু এছ.এল.ডব্লিউ.এম.ৰ ওপৰত এছ.অ'.পি. ১:

| ক্ৰমিক নং. | বিৱৰণ |
|---|---|
| প্ৰথম পদক্ষেপ : গাঁও পঞ্চায়তৰ সৈতে প্ৰাথমিক কাম | • পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে (পি. এণ্ড আৰ.ডি.) জিলা অনুসৰি চি.এম.এছ.চি.ৰ প্ৰয়োজনীয়তাৰ তালিকা প্ৰস্তুত কৰিব আৰু জিলা পানী আৰু অনাময় সমিতিৰ (ডি.ডব্লিউ.এছ.চি.) জৰিয়তে স্বচ্ছ ভাৰত অভিযান- গ্ৰামীণ (এছ.বি.এম.-জি.)ক অৱগত কৰিব।<br>• প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰি, এছ.বি.এম.-জি. এ বাৰ্ষিক ৰূপায়ণ আঁচনি (এ.আই.পি.) প্ৰস্তুত কৰিব।<br>• এছ.বি.এম.-জি. এ অনুমোদিত এ.আই.পি.ৰ ওপৰত ভিত্তি কৰি চি.এম.এছ.চি.ৰ তালিকা পি. এণ্ড আৰ.ডি.-ৰ আয়ুক্ত আৰু সচিবক অৱগত কৰিব।<br>• সংশ্লিষ্ট জিলাৰ ডি.ডব্লিউ.এছ.চি.এ অনুমোদিত এ.আই.পি. অনুসৰি গাঁও পঞ্চায়ত পৰ্য্যায়ত গোটা আৱৰ্জনা ব্যৱস্থাপনা (এছ.ডব্লিউ.এম.) আঁচনি প্ৰস্তুত কৰিব আৰু এই তথ্য গাঁও পঞ্চায়তৰ সভাপতিক যোগান ধৰিব।<br>• ডি.ডব্লিউ.এছ.চি. এ তৰল আৱৰ্জনা ব্যৱস্থাপনা (য'ত প্ৰয়োজন হয়) পৰিকল্পনা কৰিব আৰু এই তথ্য গাঁও পঞ্চায়তৰ সভাপতিৰ সৈতে যোগান ধৰিব।<br>• গাঁও পঞ্চায়তে তাৰ পিছত চি.এম.এছ.চি. আৰু এছ.এল.ডব্লিউ.এম. সম্পত্তিৰ বাবে ডি.ডব্লিউ.এছ.চি.ৰ সৈতে আলোচনা কৰি স্থান নিৰ্বাচন কৰিব আৰু ডি.ডব্লিউ.এছ.চি. সদস্য সচিবৰ ওচৰত প্ৰাপ্ত ভূমিৰ বাবে (ভূমি নথি পত্ৰ বা এন.অ'.চি.ৰ ৰূপত) আবেদন দাখিল কৰিব। |
| দ্বিতীয় পদক্ষেপ: কাৰ্যকৰীকৰণ আৰু পুঁজি | • স্থান বাছনি চূড়ান্ত কৰাৰ পিছত, গাঁও পঞ্চায়তে তেওঁলোকৰ ১৫তম বিত্তীয় আয়োগৰ আবদ্ধ পুঁজিৰ ৩০% ব্যৱহাৰ কৰি ৰাজহুৱা সম্পত্তিৰ নিৰ্মাণ আৰম্ভ কৰিব। ডি.ডব্লিউ.এছ.চি.য়ে তেওঁলোকক এই ক্ষেত্ৰত যিকোনো প্ৰয়োজনীয় কাৰিকৰী সমৰ্থন প্ৰদান কৰিব<br>• চি.এম.এছ.চি.ৰ বাবে স্থান চূড়ান্ত হোৱাৰ পিছত, ডি.ডব্লিউ.এছ.চি. এ এছ.বি.এম.-জি. অসমৰ ৰাজ্যিক কাৰ্যালয়লৈ পুঁজিৰ চাহিদা (চি.এম.এছ.চি.ৰ বাবে মুঠ পুঁজিৰ ৭০ %) পঠিয়াব ।<br>• এছ.ডব্লিউ.এম.ৰ বাবে, স্থান নিৰ্বাচন চূড়ান্ত হোৱাৰ পিছত, ডি.ডব্লিউ.এছ.চি.য়ে, এছ.ডব্লিউ.এম. সম্পদৰ নিৰ্মাণ [সামগ্ৰী সংগ্ৰহ সুবিধা কেন্দ্ৰ (এম.চি.এফ.)] আৰু আৱৰ্জনা সংগ্ৰহ বাহন নিৰ্মাণৰ বাবে প্ৰয়োজনীয় পুঁজিৰ চাহিদা (মুঠ এছ.ডব্লিউ.এম. বাজেটৰ ৭০ %) এছ.বি.এম.-জি. অসম, লৈ পঠিয়াব ।<br>• এছ.বি.এম.-জি. এ গাঁও পঞ্চায়তৰ এছ.ডব্লিউ.এম. আঁচনি বাবে গাঁও / গাঁও পঞ্চায়ত/ ব্লকৰ বাবে আৱৰ্জনা সংগ্ৰহ বাহন ক্ৰয় কৰিব।<br>• বাহন ক্ৰয় কৰাৰ পিছত উপলব্ধ পুঁজি এছ.বি.এম.-জি.ৰ পৰা ডি.ডব্লিউ.এছ.চি.ক আৱণ্টন কৰা হ'ব । |
| তৃতীয় পদক্ষেপ: গাঁও পঞ্চায়তৰ সৈতে পুঁজি স্থানান্তৰ আৰু পৰিচালনা | • গাঁও পঞ্চায়তৰ একাউন্টৰ বিৱৰণ ডি.ডব্লিউ.এছ.চি.য়ে সংশ্লিষ্ট গাঁও পঞ্চায়তৰপৰা সংগ্ৰহ কৰিব লাগিব আৰু ইয়াৰ তথ্য এছ.বি.এম.-জি.ক অৱগত কৰিব লাগিব আৰু সেই অনুসৰি সংশ্লিষ্ট ডি.ডব্লিউ.এছ.চি.ৰ দ্বাৰা নিৰ্ধাৰিত পি.এফ.এম.এছ. প'ৰ্টেলত মেপ কৰিব লাগিব।<br>• ডি.ডব্লিউ.এছ.চি.য়ে অনুমোদিত এ.আই.পি.ৰ অধীনত পি. এণ্ড আৰ.ডি.ৰ দ্বাৰা নিৰ্মাণ কৰিবলগা চি.এম. এছ.চি.ৰ তালিকা আৰু ধনৰ পৰিমাণ (মুঠ ব্যয়ৰ ৭০%) গাঁও পঞ্চায়তৰ একাউন্টলৈ স্থানান্তৰ কৰিব।<br>• চি.এম.এছ.চি.ৰ বাবে আৰম্ভণিতে ডি.ডব্লিউ.এছ.চি.য়ে, চি.এম.এছ.চি. নিৰ্মাণৰ ধাৰাবাহিকতা বজাই ৰখাৰ বাবে এছ.বি.এম.-জি. পুঁজিৰ ৫০% গাঁও পঞ্চায়তৰ একাউন্টলৈ স্থানান্তৰ কৰিব।<br>• এছ.ডব্লিউ.এম.ৰ বাবে, ডি.ডব্লিউ.এছ.চি.-য়ে সংশ্লিষ্ট গাঁও পঞ্চায়তক (এছ. অ'. পি.-২ ত অন্তৰ্ভুক্ত বাহন ব্যৱস্থাপনা) বাহন প্ৰদান কৰিব আৰু এম.চি.এফ. নিৰ্মাণৰ ধাৰাবাহিকতা বজাই ৰখাৰ বাবে মুঠ এছ.বি. এম.-জি. পুঁজিৰ ৫০% গাঁও পঞ্চায়তৰ একাউন্টলৈ স্থানান্তৰ কৰিব।<br>• এল.ডব্লিউ.এম.ৰ বাবে, এছ.ডব্লিউ.এম.ৰ দৰে একে ধৰণেৰে পুঁজি স্থানান্তৰ কাৰ্যকৰী কৰা হ'ব |

| | |
|---|---|
| চতুৰ্থ পদক্ষেপ: ডি.ডব্লিউ. এছ.চি. লৈ ইউ.চি. দাখিল | • সংশ্লিষ্ট গাঁও পঞ্চায়তে ডি.ডব্লিউ.এছ.চি.ক এক ব্যৱহাৰ প্ৰমাণপত্ৰ (ইউ/চি) প্ৰদান কৰিব যি চি.এম.এছ.চি., এম.চি. এফ., চ'ক পিট আদি নিৰ্মাণৰ সময়ত হোৱা সকলো ব্যয় সম্পৰ্কে বিৱৰণৰ সৈতে সম্পূৰ্ণ তথ্য প্ৰদান কৰিব।<br>• এছ.বি.এম.-জি.ৰ পৰা পি.এণ্ড.আৰ.ডি.লৈ ইউ/চি-ৰ এক ষ্টেণ্ডাৰ্ড ফৰমেট যাব<br>• ডি.ডব্লিউ.এছ.চি. আৰু গাঁও পঞ্চায়তৰ প্ৰতিনিধিসকলে গাঁওপঞ্চায়তৰ দ্বাৰা নিৰ্মাণ কৰা সম্পত্তিৰ এক যুটীয়া নিৰীক্ষণ কৰিব আৰু ডি.ডব্লিউ.এছ.চি সদস্য সচিবক এক প্ৰতিবেদন প্ৰদান কৰিব।<br>• যদি সম্পত্তিটো সকলো কাৰিকৰী নিৰ্দিষ্টতা পূৰণ কৰি নিৰ্মাণ কৰা দেখা যায়, চি.এম.এছ.চি. আৰু এছ.এল. ডব্লিউ.এম. সম্পত্তিৰ বাবে বাকী ৫০% পুঁজি গাঁও পঞ্চায়তৰ একাউণ্টলৈ স্থানান্তৰ কৰা হ'ব। |
| পঞ্চম পদক্ষেপ: সম্পদ স্থিৰতা | • চি.এম.এছ.চি. আৰু এছ.এল.ডব্লিউ.এম. সম্পত্তিৰ পৰিচালনা আৰু তত্বাৱধান গাঁও পঞ্চায়তৰদ্বাৰা কৰা হ'ব<br>• গাঁও পঞ্চায়তে চি.এম.এছ.চি.ৰ বাবে দৰমহা আৰু ব্যৱহাৰ মোডৰ বাবে বিবেচনা কৰিব পাৰে<br>• আৱৰ্জনা সংগ্ৰহ বাহনৰ বাবে চালকসকলৰ পাৰিশ্ৰমিক/ মজুৰি আৱৰ্জনা সংগ্ৰহৰ স্থিৰতা আৰু সুৰক্ষিত নিষ্কাশনৰ বাবে গাঁও পঞ্চায়তে পূৰণ কৰিব লাগিব<br>• গাঁও পঞ্চায়তে চি.এম.এছ.চি. আৰু এছ.এল.ডব্লিউ.এম. সম্পত্তিৰ পৰিচালনা আৰু তত্বাৱধানক ১৫ তম বিত্তীয় আয়োগৰ (এফ.চি.) অনুদানৰ পৰা আৰু পৰিয়াল, দোকান, প্ৰতিষ্ঠান আদিৰ পৰা এছ.এল.ডব্লিউ. এম.ৰ বাবে ব্যৱহাৰকাৰী মাচুল বিবেচনা কৰিব পাৰে। |

**এছ.এল.ডব্লিউ.এম.ৰ বাবে বাহন ব্যৱস্থাপনাৰ ওপৰত এছ.অ'.পি. ২:**

**ভুমিকা:**

গ্ৰাম্য অঞ্চলৰ গোটা আৱৰ্জনাৰ ব্যৱস্থাপনা সম্পূৰ্ণ নহ'ব যেতিয়ালৈকে উৎপন্ন আৱৰ্জনা বৈজ্ঞানিকভাৱে নিষ্কাসন কৰা নহয় আৰু পুনৰ ব্যৱহাৰযোগ্য সামগ্ৰী প্ৰাপ্ত কৰা নহয়। এই ক্ষেত্ৰত, উৎপন্ন আৱৰ্জনা পৰিবহন হৈছে এক অত্যাৱশ্যকীয় পদক্ষেপ যি উৎসৰপৰা সমাধান প্ৰাপ্ত কৰিব পাৰে ।

যুটীয়া বৈঠকত সিদ্ধান্ত লোৱা হৈছিল যে গাঁও পঞ্চায়তত আৱৰ্জনা সংগ্ৰহৰ বাবে ট্ৰাইচাইকেল আৰু বেটাৰী চালিত ৰিক্সা প্ৰদান কৰা হ'ব আৰু আৱৰ্জনা সংগ্ৰহ সুবিধা কেন্দ্ৰত সেইবোৰ নিষ্কাসন কৰা হ'ব। এই ক্ষেত্ৰত, বাহন পৰিচালনাৰ বাবে নিম্নলিখিত ধৰণে এছ. অ'.পি. প্ৰস্তুত কৰা হৈছে:

## বাহন ব্যৱস্থাপনাৰ ওপৰত_এছ.অ'.পি. ২:

| ক্ৰমিক নং. | বিৱৰণ |
|---|---|
| পদক্ষেপ এক : বাহনৰ চাহিদা | • গাঁও পঞ্চায়তত এছ.ডব্লিউ.এম. ৰূপায়নৰ বাবে ডি.ডব্লিউ.এছ.চি. য়ে আৱৰ্জনা সংগ্ৰহ বাহনৰ বাবে এছ.বি.এম.-জি.ক প্ৰয়োজনীয়তা প্ৰদান কৰিব।<br>• এছ.বি.এম.-জি.য়ে প্ৰয়োজনীয় বাহন যোগানৰ বাবে তালিকাভুক্ত সংস্থাবোৰক ৱৰ্ক-অৰ্ডাৰ জাৰী কৰিব আৰু সংস্থাটোৱে এই বাহনবোৰ সংশ্লিষ্ট ডি.ডব্লিউ.এছ.চি.-ক যোগান ধৰিব। |
| দ্বিতীয় পদক্ষেপ: বাহনৰ প্ৰমাণপত্ৰ আৰু পঞ্জীয়ন | • বাহনসমূহ পোৱাৰ পিছত, ডি.ডব্লিউ.এছ.চি.য়ে প্ৰাপ্ত কৰা বাহনবোৰৰ কাৰ্যক্ষমতাৰ স্থিতি প্ৰমাণিত কৰিব (সেইবোৰ ভাল অৱস্থাত আছে নে নাই, প্ৰয়োজনীয় চাহিদা অনুসৰি প্ৰাপ্ত কৰা হওক বা নহওঁক)। প্ৰমাণপত্ৰৰ এটা প্ৰতিলিপি ও এছবিএম-জিলৈ প্ৰেৰণ কৰিব লাগিব।<br>• এই বাহনসমূহৰ পঞ্জীয়ন সংশ্লিষ্ট ডি.ডব্লিউ.এছ.চি.ৰ সদস্য সচিব তথা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তাৰ নামত হ'ব |
| তৃতীয় পদক্ষেপ: গাঁও পঞ্চায়ত/ ব্লকলৈ বাহন হস্তান্তৰ কৰা | • পঞ্জীয়ন সম্পূৰ্ণ হোৱাৰ পিছত, ডি.ডব্লিউ.এছ.চি.ৰ সদস্য সচিব এ বাহনবোৰ সংশ্লিষ্ট গাঁও পঞ্চায়তৰ সভাপতি (গাঁও পঞ্চায়ত পৰ্যায়ৰ সম্পদৰ বাবে) আৰু বি.ডি.অ'.ক (খণ্ড স্তৰৰ সম্পদৰ বাবে) হস্তান্তৰ কৰিব।<br>• বাহনবোৰ প্ৰাপ্ত কৰাৰ পিছত, গাঁও পঞ্চায়তৰ সভাপতি/বি.ডি.অ'. এ প্ৰাপ্ত কৰা বাহনবোৰৰ কাৰ্যক্ষমতাৰ স্থিতি প্ৰমাণিত কৰিব। প্ৰমাণপত্ৰৰ এটা প্ৰতিলিপিও ডি.ডব্লিউ.এছ.চি. প্ৰেৰণ কৰিব লাগিব।<br>• সংশ্লিষ্ট গাঁও পঞ্চায়তৰ সভাপতি/বি.ডি.অ'. এ বাহনসমূহৰ মালিকীস্বত্ব আৰু দায়িত্ব লোৱাৰ বাবে ডি.ডব্লিউ.এছ.চি.ৰ সদস্য সচিব তথা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তাক এক প্ৰতিশ্ৰুতি প্ৰদান কৰিব। |



২০২১
জনস্বাস্থ্য কাৰিকৰী বিভাগ, স্বচ্ছ ভাৰত অভিযান (গ্ৰামীণ) অসমৰ দ্বাৰা আৰু
ইউনিচেফ, অসমৰ সৌজন্যত প্ৰকাশিত